# অসম আদিত্য

২৪ চ'ত, ১৯৪৬ শক ■ সোমবাৰ, ৭ এপ্ৰিল, ২০২৫ ■ Asom Aditya, Dibrugarh, Monday, April 7, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি


### কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষক অসম সাহিত্য সভাৰ গধুৰ দায়িত্ব

## ড° শশীকান্ত শইকীয়াক আন্তঃৰাজ্যিক-বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক হিচাপে নিযুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৬ এপ্ৰিল ঃ** ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, ঐতিহাসিক ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসম সাহিত্য সভাৰ আজীৱন সদস্য, ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ সমন্বয়ক, পেনেলিষ্ট, বিশিষ্ট স্তম্ভ লেখক আৰু নিৰন্তৰে ভাষা-সাহিত্য-সংস্কৃতিৰ চৰ্চা কৰি অহা ড০ শশীকান্ত শইকীয়াক অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ আন্তঃৰাজ্যিক আৰু বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক হিচাপে নিযুক্তি দিয়ে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্যৰূপে ইতিমধ্যে মনোনীত হোৱা ড০ শশীকান্ত শইকীয়াক অসম সাহিত্য সভাই এনেদৰে গুৰুত্বপূৰ্ণ পদত মনোনীত কৰাত ডিব্ৰুগড় সাহিত্য সভাকে ধৰি কানৈ মহাবিদ্যালয়ত আনন্দৰ বন্যা বৈছে। উল্লেখ্য যে ডিব্ৰুগড় সাহিত্য সভাৰ দুটা কাৰ্যকালৰ সভাপতি হিচাপে নিয়াৰিকৈ কৰ্ম সম্পাদন কৰাৰ পিছত তেওঁ অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলাৰ সভাপতি, ডিব্ৰুগড় জিলা উশ্বু সন্থাৰ সভাপতি, সদৌ অসম সত্ৰ মহাসভাৰ ডিব্ৰুগড় জিলাৰ সভাপতি, ভাৰতীয় ইতিহাস সংকলন সমিতিৰ ডিব্ৰুগড় জিলাৰ সভাপতি; ডিব্ৰুগড় ছেচ ক্লাবৰ প্ৰতিষ্ঠাপক সভাপতিকে ধৰি অন্যান্য বহু সাহিত্য, সংস্কৃতি, সাংস্কৃতিক অনুষ্ঠানৰ দায়িত্ব পালন কৰি কৃতিত্বৰ পৰিচয় দি আহিছে। মন কৰিবলগীয়া যে সমগ্ৰ পৃথিৱীৰ চুকে-কোণে সিঁচৰতি হৈ থকা অসমীয়া মানুহখিনিক একত্ৰিকৰণ কৰিবলৈ গঠন হোৱা স্নেহবন্ধন নামৰ আন্তঃৰাষ্ট্ৰীয় এটা অনুষ্ঠানৰ সাধাৰণ সম্পাদকৰ গুৰুত্বপূৰ্ণ দায়িত্বও তেওঁ পালন কৰি আছে। স্নেহবন্ধনৰ যোগেদি পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰৱাসী অসমীয়াসকলে অসমৰ উঠি অহা নৱপ্ৰজন্মক বিভিন্ন সময়ত দিহা-পৰামৰ্শ দি নতুন প্ৰজন্মক উৎসাহ আৰু অনুপ্ৰাণিত কৰি আহিছে। নিয়মীয়া স্তম্ভ লেখক ড° শইকীয়াৰ ইতিমধ্যে প্ৰায় ৪০ খনৰো অধিক গ্ৰন্থ প্ৰকাশ পাইছে। আজি অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি পদুম ৰাজখোৱাই আনুষ্ঠানিকভাৱে তেওঁৰ হাতত নিযুক্তি-পত্ৰ প্ৰদান কৰে। নিযুক্তি-পত্ৰ প্ৰদান কৰা অনুষ্ঠানত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ বিভিন্ন দায়িত্বত থকা বিষয়ববীয়াৰ লগতে ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক গৌতম গগৈও উপস্থিত থাকে। নিযুক্তি-পত্ৰ লাভ কৰি তেওঁ সমগ্ৰ পৃথিৱীত অসম সাহিত্য সভাৰ লগতে ভাষা-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত নিষ্ঠাসহকাৰে দায়িত্ব পালন কৰাৰ চেষ্টা চলাব বুলি কয়।



## ডিব্ৰুগড় শাখাক সক্ৰিয়তাৰে